**নং ঃ ৩৪৬/২০২১**

# বৰ্ষীয়ান সাংবাদিক ভৱেশ বৰুৱাৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ১৮ নৱেম্বৰ ঃ** ৰাজ্যখনৰ সংবাদ ক্ষেত্ৰৰ এগৰাকী পুৰোধা ব্যক্তি, বিশিষ্ট সাংবাদিক ভৱেশ বৰুৱাৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই।

আজি এক শোকবাৰ্তাত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে জীৱনকালত একান্ত নিষ্ঠাৰে বৰ্ষীয়ান সাংবাদিকগৰাকীয়ে ৰাজ্যখনৰ সংবাদ জগতলৈ যি অৰিহণা আগবঢ়াই গ'ল সেয়া ৰাজ্যবাসীয়ে শ্ৰদ্ধাৰে স্মৰণ কৰিব। তেখেতে আসাম প্ৰেছ ক'ৰেছপণ্ডেণ্টছ ইউনিয়ন (আপ্‌কু)ৰ প্ৰতিষ্ঠাপক সম্পাদক, পৰৱৰ্তী পৰ্যায়ত সভাপতি তথা মৃত্যুৰ আগমুহূৰ্তলৈকে উপদেষ্টা হিচাপে সংগঠনটোক আগুৱাই নিয়াৰ দিশত যথেষ্ট বৰঙণি যোগাই গৈছে। এইগৰাকী বৰ্ষীয়ান সাংবাদিকৰ বিয়োগ ৰাজ্যখনৰ সংবাদ জগতৰ বাবে অপূৰণীয় ক্ষতি বুলি মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত ভৱেশ বৰুৱাৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**বঃভাঃ**
**১৮-১১-২০২১**